B4Y5Y2

# পখীৰ সভা




ছবিখন চোৱা আৰু কোন বিধৰ কিমান পখী সভালৈ আহিছে গণনা কৰি খালী ঘৰত লিখা।



পখীৰ সভাত নাচে ম'ৰাই
চালি ধৰি ধৰি।
কপৌ ভাটৌ আৰু শালিকাই
বজায় হাত চাপৰি।
বগলী বাইএ হালিজালি
কতনো ছেও ধৰে।
তাকে দেখি চিলনীয়ে
ঘনে উৰা মাৰে।

**'পখীৰ সভা' ছবিখন চাই কোৱা আৰু খালী ঠাইত লিখা-**


- কেইবিধ পখী সভালৈ আহিছে? ______
- কোনবিধ পখী আটাইতকৈ বেছি আৰু কেইটা আছে? ______ ______
- কোনবিধ পখী আটাইতকৈ কম আৰু কেইটা আছে? ______ ______
- কাউৰী আৰু বগলীৰ মুঠ সংখ্যা কিমান? ______
- বগলীৰ সংখ্যা ভাটৌৰ সংখ্যাতকৈ কিমান বেছি? ______
- পখীৰ মুঠ সংখ্যা কিমান লিখা? ______
- চিলনী আৰু শালিকাৰ মাজত কোনবিধ চৰাই সৰু? ______
- ময়ূৰ চৰাইৰ পাখিত চকৰি কেইটা আছে? ______



তলৰ ছবিত এটা উদাহৰণ দিয়া হৈছে।


সেইদৰে বাকী ছবিত দিয়া সংখ্যাবোৰ সৰুৰ পৰা ডাঙৰলৈ সজাই বহুওৱা-



















খালী ঘৰবোৰ আগৰ, পাছৰ বা মাজৰ সংখ্যাৰে পূৰ কৰা -

| আগৰ | পাছৰ |
|---|---|
| ৩৭ | ৩৮ |
| | ৬০ |
| | ৭৭ |

| আগৰ | পাছৰ |
|---|---|
| ১৩ | ১৪ |
| ১৮ | |
| ১৬ | |

| আগৰ | মাজৰ | পাছৰ |
|---|---|---|
| ৩৯ | ৪০ | ৪১ |
| ৫৪ | | ৫৬ |
| ৯৭ | | ৯৯ |



খালী ঘৰবোৰ ক্ৰমিক সংখ্যাৰে পূৰ কৰা -

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ২১ | | | ২৪ | | | ২৭ | | | ৩০ |

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৩৬ | ৩৭ | | | ৪০ | | | | | ৪৫ |

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৪২ | | ৪৪ | | | | ৪৮ | | | |

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৫৩ | | | | ৫৭ | | | | | |

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৬৫ | | ৬৭ | | | | | ৭২ | | |

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ৭৬ | | | | | ৮১ | | | | ৮৫ |

যোগ কৰা-

(ক) ১৭ + ১২ = ____

(খ) ১৮ + ১০ = ____

(গ) ১৬ + ২২ = ____

(ঘ) ৩২ + ৩৩ = ____

(ঙ) ২৫ + ২৪ = ____

(চ) ৩৮ + ২১ = ____

(ছ) ৪৬ + ৩২ = ____

(জ) ৬২ + ১৫ = ____



**বিয়োগ কৰা-**

| (ক) | (খ) | (গ) | (ঘ) |
| --- | --- | --- | --- |
| ৫ ৬ | ৬ ৪ | ৭ ৭ | ৮ ৮ |
| - ৩ ৩ | - ৪ ০ | - ৩ ৪ | - ৫ ৪ |
| ______ | ______ | ______ | ______ |

| | | |
| --- | --- | --- |
| ৪২ - ২ = .............. | ৬৩ - ১৩ = .............. | ৭৫ - ২০ = .............. |

**তলৰ সমস্যাবোৰ সমাধান কৰা-**

* ৰীমাৰ ঘৰৰ পাচলিৰ বাগিচাখনত ৩২টা বন্ধাকবি আৰু ৪৬টা ফুলকবি আছে। বাগিচাখনত মুঠতে কেইটা কবি আছে?
* ডেভিদৰ দেউতাকে ২৪ টা কণী বজাৰৰ পৰা কিনি আনিছিল। তাৰে ১৪ টা বেয়া ওলাল। কেইটা কণী ভাল ওলাল?
* এটা খৰাহীত ২৮টা আম আৰু আন এটা খৰাহীত ৩১ টা আম আছে। খৰাহী দুটাত মুঠতে কেইটা আম আছে?
* তোমালোকৰ বিদ্যালয়খনৰ ফুলনিত ৩২ জোপা গোলাপ ফুল আৰু ২৫ জোপা তগৰ ফুলৰ গছ আছে। ফুলনিত মুঠতে কেইজোপা ফুলৰ গছ আছে?
* ফৰিদহঁতৰ বাৰীৰ নাৰিকল গছত ৬৫টা নাৰিকল আছিল। তাৰে ৫০ টা নাৰিকল তেওঁলোকে বেচিলে। এতিয়া মুঠতে নাৰিকল কেইটা থাকিল?
* তুমি ১২ টকা মূল্যৰ এখন চিলা, ১০ টকা মূল্যৰ এটা কলম আৰু ২৫ টকা মূল্যৰ এখন কিতাপ কিনিলা। তোমাৰ কিমান টকা খৰচ হ'ল?
* তোমাৰ হাতত ৯০ টকা আছে। তুমি তাৰে ৩০ টকা মূল্যৰ এটা ঘড়ী কিনিলা। এতিয়া তোমাৰ হাতত কিমান টকা থাকিল?

২০ টকা হ'বলৈ -

- ১ টকাৰ কিমানটা মুদ্ৰা লাগিব? ________
- ২ টকাৰ কিমানটা মুদ্ৰা লাগিব? ________
- ৫ টকাৰ কিমানটা মুদ্ৰা লাগিব? ________
- ১০ টকাৰ কিমানটা মুদ্ৰা লাগিব? ________

★ জুখি চাই খালী ঠাইত লিখা-

- তুমি বহা বেঞ্চখন কিমান দীঘল তোমাৰ হাতেৰে জোখা। ________ হাত
- তোমাৰ গণিতৰ কিতাপখন কিমান দীঘল আৰু কিমান বহল আঙুলিৰে জুখি চোৱা।
  ________ আঙুল দীঘল ________ আঙুল বহল

★ তোমালোকৰ শ্ৰেণীত আম, মধুৰীআম, কঁঠাল খাই ভাল পোৱা ল'ৰা-ছোৱালীৰ সংখ্যা জানি লৈ তালিকা কৰা।

| ফলৰ নাম | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|
| আম  | |
| মধুৰীআম  | |
| কঁঠাল  | |

**ওপৰৰ তালিকাখন চাই তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা-**

- কোনবিধ ফল বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে খাই ভাল পায়? ________
- কোনবিধ ফল আটাইতকৈ কম ছাত্ৰ-ছাত্ৰীয়ে খাই ভাল পায়? ________
- মুঠ কিমান গৰাকী ছাত্ৰ-ছাত্ৰীয়ে আম আৰু মধুৰীআম খাই ভাল পায়? ________



তলৰ চানেকিবোৰ সম্পূৰ্ণ কৰা-

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| ⊂ | ⊃ | ⊂ | ⊃ | ⊂ | | | | | | | |

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| < | > | < | > | < | | | | | | | |


| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| ∪ | ∩ | ∪ | ∩ | ∪ | | | | | | | |

খালী ঘৰত সংখ্যা লিখি চানেকিবোৰ সম্পূৰ্ণ কৰা-

| | | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| ২ | ৪ | — | ৮ | — | ১২ | — | — | — | ২০ | — | — | ২৬ |
| ৩ | ৬ | ৯ | ১২ | — | — | — | — | — | ৩০ | — | — | ৩৯ |
| ৪ | ৯ | ১৪ | — | — | ২৯ | — | — | — | ৪৯ | — | — | ৬৪ |

তলৰ আকৃতিবোৰৰ সহায়ত বিভিন্ন ছবি আঁকিবলৈ চেষ্টা কৰা-

□ △ ○



*শিক্ষকলৈ নিৰ্দেশনা ঃ ছাত্ৰ-ছাত্ৰীক ওপৰৰ আকৃতিবোৰৰ নিচিনা আৰু ছবি আঁকিবলৈ উৎসাহিত কৰিব।*

